# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 26-OCT-2025

**Time :** 1715 HRS

## *Assamese Evening Bulletin*

-------------------

ooooo

ভাৰতৰ কফিৰ জনপ্ৰিয়তা বৰ্তমান বিশ্বজুৰি বৃদ্ধি পাইছে। উত্তৰ পূৰ্বাঞ্চলতো সম্প্ৰতি কফি খেতি জনপ্ৰিয় হৈছে আৰু উত্তৰ-পূবৰ কফিয়ে বিশ্বত ভাৰতীয় কফিৰ পৰিচয় শক্তিশালী কৰাত ভূমিকা ল'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীযোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানত আজি এইদৰে কয়।

প্ৰধানমন্ত্ৰীয়ে ষট্ পূজাৰ কথা উল্লেখ কৰি কয়, যে এই উৎসৱ হৈছে সংস্কৃতি, প্ৰকৃতি আৰু সমাজৰ গভীৰ একতাৰ প্ৰতিফলন। তেওঁ সমগ্ৰ দেশবাসী, বিশেষকৈ বিহাৰ, ঝাৰখণ্ড আৰু পূৰ্বাঞ্চলৰ লোকসকলক ষট্ পূজাৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে।

শ্ৰীমোদীয়ে অপাৰেচন সিন্দূৰে প্ৰতিগৰাকী ভাৰতীয়ক গৌৰৱান্বিত কৰিলে বুলি মন কী বাতত প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে এইবাৰৰ দীপাৱলীত এসময়ত মাওবাদী সন্ত্ৰাসৰ প্ৰভাৱ থকা অঞ্চলতো চাকিৰ পোহৰে উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰিলে। উৎসৱৰ বতৰত থলুৱা সামগ্ৰীৰ আদৰ তথা বিক্ৰী বৃদ্ধি হোৱাৰ কথাত তেওঁ আনন্দ প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰীগৰাকীয়ে অহা ৩১ অক্টোবৰত পালন কৰিবলগীয়া চৰ্দাৰ বল্লভ ভাই পেটেলৰ জন্মদিৱসৰ কথা উল্লেখ কৰি কয়, যে এই উপলক্ষে প্ৰতি বছৰে গুজৰাটৰ একতা নগৰত থকা একতাৰ প্ৰতিমূৰ্তিৰ সন্মুখত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। দেশৰ প্ৰতি চৰ্দাৰ পেটেল আগবঢ়াই যোৱা অৱদানক প্ৰধানমন্ত্ৰীয়ে গভীৰভাৱে স্মৰণ কৰে। তেওঁ চৰ্দাৰ পেটেলৰ সোঁৱৰণত ৩১ অক্টোবৰত দেশজুৰি হ'বলগীয়া একতাৰ দৌৰত অংশগ্ৰহণ কৰিবলৈ সকলোকে আহ্বান জনায়।

ooooo

মুখ্যমন্ত্ৰীৰ ধৰ্মজ্যোতি আঁচনিৰ অধীনত আজি গুৱাহাটীৰ ৩৪ গৰাকী জ্যেষ্ঠ নাগৰিকে গোৱালপাৰাৰ ঐতিহাসিক শ্ৰীসূৰ্যপাহাৰ দৰ্শন কৰে। তীৰ্থযাত্ৰীসকলে শ্ৰীসূৰ্যপাহাৰ দৰ্শন কৰি অভিভূত হৈ পৰা বুলি আমাৰ সংবাদদাতাৰ আগত প্ৰকাশ কৰে। উল্লেখযোগ্য যে এই আঁচনিৰ জৰিয়তে অসম ৰাজ্যিক পৰিবহণ নিগমৰ সহযোগত জ্যেষ্ঠ নাগৰিকসকলক কম খৰচতে বিভিন্ন ধৰ্মীয় অনুষ্ঠান দৰ্শনৰ সুবিধা প্ৰদান কৰা হয়। এই আঁচনিৰ জৰিয়তে বিভিন্ন তীৰ্থস্থান দৰ্শন কৰা এগৰাকী তীৰ্থযাত্ৰীয়ে আমাৰ সংবাদদাতাৰ আগত এইদৰে কয়।

**বাইট (তীৰ্থযাত্ৰী)**

ooooo

নাৰী শিক্ষাৰ ক্ষেত্ৰত যুগান্তকাৰী পদক্ষেপ হিচাপে মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ অধীনত কাইলৈ ছাত্ৰীসকলৰ মাজত চেক বিতৰণ কৰা হ'ব। উচ্চ শিক্ষা আহৰণৰ দিশত ৰাজ্যৰ ১০ লাখ কন্যা শিক্ষাৰ্থীৰ সুবিধাৰ্থে ৰাজ্য চৰকাৰে এই অভিলাষী পদক্ষেপ গ্ৰহণ কৰিছে। এই আঁচনিখনৰ জৰিয়তে মহাবিদ্যালয়ত ছাত্ৰীৰ নামভৰ্তিৰ সংখ্যা বৃদ্ধি, বাল্যবিবাহ তথা কৈশোৰকালৰ মাতৃত্ব প্ৰতিৰোধ, প্ৰতিগৰাকী কন্যা শিশুৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষা সুনিশ্চিত হৈছে। ২০২৪-২৫ বৰ্ষত এই আঁচনিৰ অধীনত এক লাখ ৬০ হাজাৰ ছাত্ৰীলৈ ১৩৩ কোটি টকা মোকলাই দিয়াৰ বিপৰীতে ২০২৫-২৬ বৰ্ষত ৩ লাখ ৫০ হাজাৰ ছাত্ৰীক নিযুত মইনা আঁচনিৰ সুবিধা প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। কাইলৈ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়াপ্ৰকল্পত এই আঁচনিৰ চেক বিতৰণৰ কেন্দ্ৰীয় কাৰ্যসূচী অনুষ্ঠিত হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি, পূব গুৱাহাটীৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যকে ধৰি আন কেইবাগৰাকী বিধায়ক উপস্থিত থাকিব।

০০০০০

যোৱা ২২ অক্টোবৰৰ পৰা বঙাইগাঁৱৰ গান্ধী ময়দানত দ্বিতীয় বঙাইগাঁও গ্ৰন্থমেলা আৰম্ভ হৈছে। অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই যুটীয়াভাৱে আয়োজন কৰা এই গ্ৰন্থমেলা সম্পৰ্কত আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটিৰ বিৱৰণ বঙাইগাঁৱৰ সংবাদদাতা তেজছ ত্ৰিপাঠীৰ আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

সমাপ্ত